আকৌ বাঢ়িল। ১৯৭০ চনমানৰ পৰা ভাৰতৰ নতুন উদ্যোগ নীতিৰ আধাৰত খনিজ তেল, লৌহ উদ্যোগৰ লগতে আনুষংগিক উদ্যোগৰ এটা বৃহৎ অঞ্চল চুৰাটৰ তটীয় অঞ্চলত গঢ়ি উঠিল । চুৰাটত এই উদ্যোগ অঞ্চল স্থাপনত সেই সময়ৰ ভাৰতৰ গুজৰাটী প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ ভূমিকা আছিল উল্লেখযোগ্য। চহৰৰ পৰা মহানগৰলৈ পৰিণত হ'ল চুৰাট। পিছে ১৯৯৪ চনত এটা বৃহৎ বানপানীয়ে এই চুৰাট মহানগৰখন বুৰাই পেলাইছিল। সেই বানপানীটোৰ পাছতেই কদৰ্য হৈ পৰা চুৰাটৰ ব্যৱসায়িক অঞ্চলত প্লেগৰ প্ৰাদুৰ্ভাৱে সন্ত্ৰাসৰ সৃষ্টি কৰিছিল।

উদ্যোগ মহানগৰী চুৰাটৰ এটা উদ্যোগত অভিযন্তা হিচাপে যোগ দিবলৈ অহাৰ আগতে পৰীক্ষিতে চুৰাটৰ কিছু ইতিহাস জনাৰ চেষ্টা কৰিছিল। বিজ্ঞানৰ ছাত্ৰ হ'লেও বুৰঞ্জীৰ প্ৰতি পৰীক্ষিতৰ এটা আকৰ্ষণ সদায়ে আছিল। চুৰাট প্লেগৰ চহৰ ৰূপেও জনাজাত আছিল। ভাৰতৰ পূৰ্বাঞ্চলৰ এখন সৰু চহৰৰ পৰা একেবাৰে পশ্চিমাঞ্চলৰ এই মহানগৰখনলৈ অহাৰ আগতে সেইকাৰণেও পৰীক্ষিত অনুসন্ধিৎসু হৈ পৰিছিল। পৰীক্ষিতৰ উদ্যোগ প্ৰতিষ্ঠানৰ কাষেদি তাপ্তী নদীখন বৈ গৈছে। খুব কম সময়ৰ ভিতৰতে তাপ্তী নদীখন, নদীখনৰ দুয়োপাৰে প্ৰাণৱন্ত হৈ পৰা নগৰখনৰ সৈতে যেন পৰীক্ষিতৰ এটা আত্মীয়তা গঢ়ি উঠিল। পৰীক্ষিতৰ উদ্যোগ প্ৰতিষ্ঠানৰ পৰা ওলায়ে দেখা পোৱা যায় এলানি দোকান আৰু ব্যৱসায়িক প্ৰতিষ্ঠান। তাৰ মাজতে সুদৰ্শনৰ গেলামাল আৰু চাহ-জলপানৰ দোকানখন। পৰীক্ষিত প্ৰায়ে সুদৰ্শনৰ দোকানত সোমাই দুই-এটা বস্তু ক্ৰয় কৰাৰ লগতে চাহ একাপ খায়। সুদৰ্শনৰ মছলা দিয়া বিশেষ চাহ কাপ পৰীক্ষিতৰ প্ৰিয় হৈ পৰিছে। সুদৰ্শন চুৰাটৰ পুৰণি মানুহ। চুৰাটৰ উত্থান-পতনৰ ভালেখিনি কথা জানে। অনুসন্ধিৎসু পৰীক্ষিতেও সুদৰ্শনৰ পৰা অনেক কথা জনাৰ চেষ্টা কৰে অতীতৰ, বৰ্তমানৰ। অৱশ্যে পৰীক্ষিতৰ দৰে শ্ৰোতা পালে কথা চহকী সুদৰ্শনে উপযাচিয়েই কথাৰ পাতনি মেলে—

"জানে, মহানগৰখনৰ পশ্চিমপ্ৰান্তৰ ব্যস্ততাপূৰ্ণ এই অঞ্চলটো এসময়ত বাবুল কাঁইটৰ জোপোহানি, হাবি-জংগলেৰে ভৰা আৰু নিৰিবিলি আছিল। নদীখনৰ পাৰে পাৰে আছিল ধান, গোমধান, কুঁহিয়াৰ আদিৰ বিস্তৃৰ্ণ খেতিপথাৰ।"

"এসময়ত মানে কিমানৰ বছৰৰ কথা বাৰু?" —পৰীক্ষিতে সোধে।

"এই ধৰক বিছ বছৰ বা তাতকৈ অলপ বেছি। তেতিয়া ইয়াত গাঁৱৰ পৰিৱেশ। কাঁইটীয়া বাবুল গছবোৰৰ মাজে মাজে অ'ত-ত'ত গৰু-ম'হৰ খুঁটি আৰু জুপুৰি ঘৰবোৰ। আড়ম্বৰহীন যদিও জীৱনৰ এটা ছন্দ আছিল। লাহে লাহে সেউজীয়াবোৰ কমি আহিল। লাখ লাখ টকাত খেতিমাটিবোৰ বিক্ৰী হ'ল। খেতিমাটিবোৰত কল-কাৰখানা, পকী ঘৰ-দুৱাৰ গঢ়ি উঠিল। ৰাস্তা-পদূলি পকী হ'ল। গাঁৱৰ মানুহবোৰৰ বেছিভাগেই ঠিকাদাৰৰ তলত বনুৱা হ'ল। কমসংখ্যক কল-কাৰখানাত সৰু-সুৰা চাকৰিত সোমাল। মাটি বেছি পোৱা লাখ লাখ টকা অৱশ্যে বেছিভাগ মানুহেই হাতত ৰাখিব নোৱাৰিলে। গাড়ী, বাইক, লাহ-বিলাহৰ সামগ্ৰীৰে ঘৰ ভৰাই সোনকালেই মানুহবোৰৰ হাত খালী হ'ল। এতিয়া বেছিভাগ মানুহৰে তিৰোতাবোৰে নতুনকৈ গঢ়ি উঠা আবাসিক অঞ্চলবোৰত বাইৰ কাম কৰিবলগীয়া হৈছে।" ক্ষোভ মিহলি কণ্ঠৰে সুদৰ্শনে কয়।

"কিন্তু কল কাৰখানা গঢ়ি উঠাৰ বাবে অনেক মানুহ আঢ্যৱন্ত হ'ল। মানুহৰ জীৱন ধাৰণৰ মান উন্নত হ'ল। নগৰৰ পৰিসৰ বাঢ়িল।"—পৰীক্ষিতে কয়।

"না-না। মই কৈছোঁ স্থানীয় মানুহখিনিৰ কথা। সিহঁতৰ বিশেষ একো উন্নতি নহ'ল। হাঁ অলপ-চলপ পইচা-পাতি হ'ল হয়, কিন্তু সহজ-সৰল জীৱনবোৰ কৰ্কশ হ'ল। কল-কাৰখানাত কাম কৰিবলৈ বাহিৰৰ পৰা কাম জনা মানুহ আহিল, ইঞ্জিনিয়াৰ, আমোলা-বিষয়া আহিল। স্থানীয় বেছিভাগৰ জীৱন আগতকৈও বেয়া হ'ল।"

পৰীক্ষিতে নদীখনৰ কাষত বৈ নদীৰ পানীত ভাহি থকা বালিতোলা নাওবোৰ চাই ৰ'ল। পশ্চিমাকাশত সূৰ্যৰ ৰাঙলী আভা বিয়পি পৰিছে। সেই আভাই নদীখনো ৰাঙলী কৰিছে। ঢৌবোৰত বালিতোলা নাওবোৰে হেন্দোলনি তুলি নাচি আছে। সাগৰৰ জোৱাৰত প্ৰতিদিনে নদীখনৰ মোহনাইদি উভতি সোমাই অহা পানীয়ে বালিবোৰ কঢ়িয়াই আনি এই অঞ্চলত এৰি থৈ যায়। এই অঞ্চলত নদীখনৰ পানীবোৰো লুণীয়া। বালি তোলা বনুৱাবোৰে পানীত ডুব মাৰি বালি তুলি নাৱত ভৰাইছে। নাৱেৰে পাৰত গোটোৱা বালিবোৰ ট্ৰাকবোৰত তুলি থকা হৈছে। ট্ৰাকবোৰে ঘৰ ঘৰ শব্দ কৰি বালিবোৰ কঢ়িয়াই লৈ গৈয়ে আছে। মহানগৰখন ক্ৰমাৎ আগবাঢ়ি আহিছে। সুউচ্চ অট্টালিকাবোৰ নিৰ্মাণৰ কাম দিনে নিশাই চলিব লাগিছে। মিস্ত্ৰি-বনুৱাৰ অভাৱ হৈছে। বেলেগ বেলেগ ৰাজ্যৰ পৰাও ট্ৰাকে ট্ৰাকে বনুৱা অনা হৈছে। বনুৱাবোৰ মহানগৰখন গঢ়াত উবুৰি খাই পৰিছে। নদীৰ পাৰে পাৰে অস্থায়ী জুপুৰি সাজি বনুৱাবোৰ থাকিবলৈ লৈছে। এটা বৃহৎ বস্তি অঞ্চল এনেকৈয়ে গঢ়ি উঠিছে। সুদূৰত নদীৰ সিটো পাৰে পৰীক্ষিতে কাম কৰা বৃহৎ কাৰখানাটোৰ ওখ ওখ গম্বুজবোৰ জিলিকি আছে। সন্ধিয়া হৈ অহাৰ লগে লগে উজ্জ্বল আলোকসজ্জাৰে কাৰখানাটো জকমকাই উঠিব। এই বৃহৎ কাৰখানাটোৰ আশে-পাশে আন কেইবাটাও সৰু-সুৰা কাৰখানা গঢ়ি উঠিছে। ট্ৰাক-টেংকাৰৰ দীঘলীয়া শাৰী, গধূৰ যানবাহনৰ পয়োভৰ চৌদিশে। অদূৰত জকমকাই আছে মহানগৰখন। সুউচ্চ বহুমহলীয়া অট্টালিকা, ব্যৱসায়িক মলবোৰত ৰঙীন পোহৰৰ খেলা। জকমকীয়া হৈ পৰিছে প্ৰশস্ত আলিবাট। দেশী-বিদেশী গাড়ী, বাইকৰ চঞ্চল প্ৰৱাহ। যেন এটা পোহৰৰ সোঁতহে বলিছে। অহৰহ ব্যস্ততা। জুমে জুমে মানুহ আহিছে। বেগা-বেগিকৈ ক'ৰবালৈ গুচি গৈছে।

এই জাকজমকীয়া ব্যস্ত চহৰখনৰ অনেক হৃদয়বিদাৰক কাহিনী জানে সুদৰ্শনে। তাৰ নিজৰ জীৱনৰ লগতো সংপৃক্ত হৈ আছে অনেক শোকাকুল অভিজ্ঞতা। সুদৰ্শনহঁতৰ মূল ঘৰ আছিল মহাৰাষ্ট্ৰৰ কেন্দ্ৰবিন্দু বোম্বাই মহানগৰৰ দাঁতিকাষৰীয়া জুহু অঞ্চলত। এসময়ত নিৰিবিলি উপকূলীয় মাছমৰীয়াৰ গাঁওখন এতিয়া কোটিটকীয়া মহানগৰীয়া অঞ্চল। ১৮৯৬ চনৰ শেষভাগত সুদৰ্শনৰ ককাক প্ৰাণৰ মমতাত তাৰ পৰা চুৰাটলৈ গুচি আহিছিল। সেয়াও এটা কাহিনী। বোম্বাইত তেতিয়া বৃটিছৰ আমোলত বিভিন্ন উদ্যোগ গঢ়ি উঠিছিল। আৰব সাগৰৰ উপকূল অঞ্চলটোৰ মাছমৰীয়া গাঁওবোৰ উদ্যোগক্ষেত্ৰলৈ পৰিৱৰ্তন হৈছিল। ভাৰতৰ বিভিন্ন অঞ্চলৰ পৰা অহা বনুৱা, কৰ্মচাৰীৰে বোম্বাই ভৰি পৰিছিল। গঢ়ি উঠিছিল ন ন আবাসিক অঞ্চল। উদ্যোগক্ষেত্ৰবোৰৰ কাষে কাষে গঢ়ি উঠা বনুৱাবোৰৰ আবাসিক অঞ্চলবোৰ আছিল কদৰ্য আৰু অস্বাস্থ্যকৰ। সুদৰ্শনৰ ককাকহঁতৰ চাৰিওজন ককাই-ভাই এসময়ত নিজা মাছমৰীয়া বৃত্তি এৰি এনে উদ্যোগৰ কামত সোমাল। সহজ-সৰল গ্ৰাম্য জীৱনশৈলীলৈ আধুনিকতা কিছু আহিল। ঘৰলৈ ছাইকেল, ৰেডিঅ', গ্ৰাম'ফোন আদি কিছু বস্তু আহিল। কিন্তু হঠাতে ১৮৯৬ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ হ'ল এটা ভয়ানক অচিন ৰোগ আৰু কেউফালে সন্ত্ৰাসৰ সৃষ্টি কৰিলে। সেয়া আছিল প্লেগ মহামাৰী। নিগনিৰ দেহত পৰজীৱী হিচাপে বাস কৰা এবিধ ওকণিৰ পৰাই প্লেগৰ ভয়ানক বেক্টেৰিয়া মানুহৰ শৰীৰলৈ সংক্ৰমিত হয়। তীব্ৰ জ্বৰ হয়। ডিঙি, কাষলতিৰ তলত গাঙঠি বা বিষদায়ক টেমুনা হয়। নিউমোনিয়াৰ দৰে ৰোগীৰ শ্বাস-প্ৰশ্বাসত কষ্ট হয় আৰু দুইৰ পৰা সাতদিনৰ ভিতৰতে মৃত্যুমুখত পৰে। ডাঙৰ কথা